ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ

দুটা পৰ্বৰ 'মডেলিটি'য়েহে দূৰ কৰিব আসোঁৱাহ

প্ৰদীপ কুমাৰ ভূঞা

ছবছৰীয়া অসম আন্দোলনৰ ফলত ১৯৮৫ চনত স্বাক্ষৰিত হৈছিল ঐতিহাসিক অসম চুক্তি। অসম চুক্তি স্বাক্ষৰিত হোৱাৰে পৰা বৰ্তমানলৈ সৰ্বস্তৰত সৰ্বাধিক চৰ্চিত বিষয়টো হৈছে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জীৰ উন্নীতকৰণ। কিন্তু বিগত ২৫ বছৰে এই কাম সম্পূৰ্ণ হৈ নুঠিল। সেয়েহে অহা দুই-এক বছৰৰ ভিতৰত এই নাগৰিকপঞ্জীৰ কাম সম্পূৰ্ণ হৈ উঠিলে ইয়াক 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী' ২০১১ অথবা ২০১২ বুলিহে ক'ব পৰা যাব।

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ মুখ্য উদ্দেশ্য হ'ল অসমত বসবাস কৰা সকলো ভাৰতীয় নাগৰিকক সামৰি এখনি শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুত কৰা। এই উদ্দেশ্যেৰে ইতিমধ্যে বৰপেটা আৰু ছয়গাঁও বিধানসভা সমষ্টিত 'পাইলট প্ৰজেক্ট'ৰ কাম আৰম্ভ হৈছে। কিন্তু আৰম্ভণিতেই এই প্ৰক্ৰিয়া সৰু-সুৰা বিষয় লৈ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে। কিন্তু সাৱধানতাৰে পৰ্যবেক্ষণ কৰিলে এটা কথা স্পষ্ট হ'ব যে এই 'পাইলট প্ৰজেক্ট'ৰ জৰিয়তে আৰম্ভ কৰা আৰ্হিয়েই (Modality) ত্ৰুটিপূৰ্ণ আৰু ই নাগৰিকপঞ্জী উন্নীতকৰণত প্ৰত্যাশিত ফল নিদিব।

চৰকাৰে হাতত লোৱা এই আৰ্হি (Modality) অনুযায়ী অসমত বসবাস কৰা প্ৰায় তিনি কোটি ভাৰতীয় মানুহৰ প্ৰতিটো পৰিয়ালৰ মুৰব্বী আৰু ২৫ মাৰ্চ, ১৯৭১ চনৰ আগতে বাংলাদেশৰ (তেতিয়াৰ পূব পাকিস্তান) পৰা আহি ইয়াত থিতাপি লোৱা বাংলাদেশী পৰিয়ালৰ মুৰব্বীয়ে এখনি বিশেষ আবেদন পত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব লাগে। নাগৰিকপঞ্জীত ভাৰতীয় হিচাপে স্বীকৃতি পাবলৈ প্ৰতিজন আবেদনকাৰীয়ে তেওঁৰ পৰিয়ালৰ বিষয়ে বিশদ তথ্য সংশ্লিষ্ট কৰ্তৃপক্ষক জমা দিব লাগিব। এইক্ষেত্ৰত আবেদনকাৰীয়ে নাগৰিকপঞ্জী '৫১ অথবা ১৯৭১ চনৰ ভোটাৰ তালিকাৰ লগত তেওঁলোকৰ পূৰ্বপুৰুষৰ যোগসূত্ৰ দেখুৱাব পাৰিব লাগিব।

এইক্ষেত্ৰত উদাহৰণস্বৰূপে ক'ব পাৰি যে এই লোকসকলে আনকি নিকটবৰ্তী ভোট কেন্দ্ৰলৈ গৈ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰি এজন প্ৰতিনিধি নিৰ্বাচন কৰাৰ ক্ষেত্ৰতো অনীহা প্ৰকাশ কৰে। ৫০-৬০ শতাংশ ভোটাৰেহে সাধাৰণতে ভোটদান কৰে। কেতিয়াবা এটা সমষ্টিৰ পৰা কেৱল ২০ শতাংশ ভোট লাভ কৰিও এজন প্ৰতিনিধি নিৰ্বাচিত হ'ব পাৰে। কিন্তু নাগৰিকপঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত এটা সমষ্টিৰ পৰা ৭০ শতাংশ লোকে আবেদন কৰিলেও পৰ্যাপ্ত নহ'ব। এখন পূৰ্ণাংগ নাগৰিকপঞ্জী প্ৰস্তুত কৰিবলৈ সম্পূৰ্ণ ১০০ শতাংশ নাগৰিকৰ (বা প্ৰায় ১০০ শতাংশ) আবেদন অপৰিহাৰ্য। সেই কাৰণে এটা কথা স্পষ্ট যে চৰকাৰে হাতত লোৱা প্ৰক্ৰিয়াৰে আগবাঢ়িলে আমি অৱশেষত এখন অসম্পূৰ্ণ তথা বিসংগতিপূৰ্ণ নাগৰিকপঞ্জীহে লাভ কৰিম, য'ত ২৫ মাৰ্চ, ১৯৭১ চনৰ আগৰ সকলো বাংলাদেশীৰ নাম সন্নিৱিষ্ট হ'ব কিন্তু প্ৰকৃত ভাৰতীয় নাগৰিকৰ অধিকাংশই অন্তৰ্ভুক্ত নহ'ব।

বৰ্তমানে যি প্ৰক্ৰিয়াৰে Pilot Projectৰ কাম আৰম্ভ কৰা হৈছে তাত হৈ-চৈ কৰিলে কোনো লাভ নহ'ব কিয়নো ইতিমধ্যে সি বহুত পলম হৈ যাব।

তদুপৰি চৰকাৰৰ প্ৰক্ৰিয়াটোত এনে এটা ব্যৱস্থা নাই যিটোৰ দ্বাৰা ভাৰতীয় নাগৰিক হিচাপে উন্নীত হোৱা বাংলাদেশীসকলৰ নামৰ এখন সুকীয়া তালিকা পোৱা যাব। এটা সমষ্টিত কোনসকল বাংলাদেশী ভাৰতীয় নাগৰিক হিচাপে উন্নীত হ'ল সেই বিষয়ে এখন সুকীয়া তালিকাৰ ব্যৱস্থা থাকিলে সেই সমষ্টিৰ অবৈধ বাংলাদেশীসকলক একে প্ৰয়াসতে পৃথক কৰিব পৰা যাব। কিন্তু চৰকাৰে গ্ৰহণ কৰা প্ৰক্ৰিয়াটোৰ দ্বাৰা এনে এখন তালিকা প্ৰস্তুত কৰাটো সম্ভৱ নহ'ব।

নাগৰিকপঞ্জী উন্নীতকৰণৰ মুখ্য উদ্দেশ্যই হৈছে বিদেশী চিনাক্তকৰণ আৰু ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম কৰ্তন কৰা। কিন্তু চৰকাৰৰ 'মডেলিটি' অনুযায়ী এই কাম আগবঢ়ালে বিদেশী চিনাক্তকৰণ আৰু ভোটাৰ তালিকা সংশোধন দুয়োটাৰ কোনোটোৱেই উন্নীতকৰণৰ প্ৰথমপৰ্ব সম্পন্ন কৰিব পৰা যাব। ২৫ মাৰ্চ, ১৯৭১ৰ আগৰ সকলো বাংলাদেশী পৰিয়ালৰ এশ শতাংশই নিঃসন্দেহে এইক্ষেত্ৰত আবেদন পত্ৰ পূৰণ কৰিব, যিহেতু এই প্ৰক্ৰিয়াৰ দ্বাৰা তেওঁলোক ভাৰতীয় নাগৰিক হিচাপে স্বীকৃত হ'ব। গতিকে এই প্ৰথমপৰ্ব সম্পূৰ্ণভাৱে সফল আৰু সৰ্বসম্মত হ'ব।

প্ৰস্তাৱিত এই 'মডেলিটি'ৰ প্ৰথমপৰ্বৰ সফল সমাপ্তিৰ পাচত নাগৰিকপঞ্জী উন্নীতকৰণৰ দ্বিতীয়পৰ্বৰ কাম আৰম্ভ কৰা হ'ব। এই পৰ্বত অতীজৰে পৰা অসমত বসবাস কৰি থকা ভাৰতীয় নাগৰিকসকলৰ ঘৰে ঘৰে গৈ জনগণনা আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে তেওঁলোকৰ মাজত এখন বিশেষভাৱে প্ৰস্তুত কৰা প্ৰশ্নপত্ৰ (Questionnaire) বিতৰণ কৰা হ'ব। প্ৰথম পৰ্যায়ত যিসকল বাংলাদেশীক ভাৰতীয় নাগৰিকত্ব দিয়া হ'ল তেওঁলোকৰ পৰা 'প্ৰশ্নপত্ৰ' লোৱা নহ'ব। এই প্ৰশ্নপত্ৰত ভোটাৰ তালিকা '৭১ৰ কোনো প্ৰসংগ উল্লেখ কৰা নিষ্প্ৰয়োজন কিয়নো অসমলৈ অনুপ্ৰৱেশ হৈ থকা বাংলাদেশীসকলৰ বাবেহে '৭১ৰ ভোটাৰ তালিকা ইত্যাদিৰ প্ৰসংগ আহি পৰে। খিলঞ্জীয়া ভাৰতীয় নাগৰিকৰ বাবে এইবিলাকৰ প্ৰয়োজন নাই। এই প্ৰশ্নপত্ৰত আবেদনকাৰীয়ে কেৱল নিজৰ পিতৃ-মাতৃ তথা পূৰ্বপুৰুষৰ বিষয়ে সকলোধৰণৰ তথ্য তথা স্থায়ী ঠিকনা ইত্যাদিৰ বিশদ তথ্য শুদ্ধভাৱে উল্লেখ কৰিব লাগিব।

ঘৰে ঘৰে গৈ সংগ্ৰহ কৰা এই তথ্যসম্বলিত প্ৰশ্নপত্ৰসমূহ গণনাকাৰীয়ে সমষ্টি অনুযায়ী এক 'কম্পিউটাৰ প্ৰগ্ৰেম'ত অন্তৰ্ভুক্ত কৰিব। ইয়াক আমি তালিকা (ক) (List-A) বুলি নামকৰণ কৰিব পাৰো। ইয়াৰ পাচত 'কম্পিউটাৰ প্ৰগ্ৰেমিং'ৰ যোগেদি সকলো খিলঞ্জীয়া নাম যেনে গগৈ, গোহাঁই, ৰাভা, বসুমতাৰী, মুণ্ডা, চাৰোৱান, পাটৰ, শইকীয়া, হাজৰিকা, লাংথাচা, ৰংপি, পেগু, আগৰৱালা, সিং ইত্যাদি উপাধিৰ লোকৰ নাম এই List-Aৰ পৰা প্ৰস্তাৱিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীলৈ স্থানান্তৰ কৰা হ'ব। কোনো ভাৰতীয় নাগৰিকৰ নাম কোনো বাংলাদেশীৰ নামৰ লগত একে হোৱা বাবে যদি এই তালিকাৰ পৰা বাদ পৰে তেনেহ'লে উক্ত নাগৰিকে এক সহজ প্ৰক্ৰিয়াৰে নিজৰ সমষ্টি অনুযায়ী বিশেষ Empanelled কমিটীৰ ওচৰত আবেদন জনাই নাগৰিকপঞ্জীত নিজৰ নাম অন্তৰ্ভুক্ত কৰিব পাৰিব।

এনেকুৱা দুয়োটা চৰ্ত সম্পন্ন হোৱাৰ পাচত যিসকল লোকৰ নাম নাগৰিকপঞ্জীলৈ উন্নীত নোহোৱাকৈ 'List-A'ত থাকি যাব, সেইসকলেই হ'ব সমষ্টিটোত Primafacie বিদেশী নাগৰিক, যিহেতু ২৫ মাৰ্চ, ১৯৭১ চনৰ আগৰ সকলো বাংলাদেশী প্ৰথম পৰ্যায়তে নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হৈছে।

লগে লগে সমষ্টি অনুযায়ী এইসকল বাংলাদেশীক নিৰ্বাচন আয়োগে 'ডি' কেটেগৰী ভোটাৰ হিচাপে চিহ্নিত কৰিব পাৰিব। এই 'ডি কেটেগৰী' ব্যক্তিসকলে নাগৰিকপঞ্জীত অন্তৰ্ভুক্তিৰ বাবে তথা নিজৰ 'ডি কেটেগৰী' স্থিতি আঁতৰ কৰোৱাৰ বাবে উপযুক্ত প্ৰমাণসহ আইনমতে নিজৰ স্থিতি প্ৰমাণ কৰিব লাগিব। ভাৰতীয় নিৰ্বাচন আয়োগে ভোটাৰ তালিকা পুনৰীক্ষণ (Electoral Revision) কৰাৰ সময়ত বহু ধৰণৰ তথ্য হেৰফেৰ হয়, সেয়েহে নাগৰিকপঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত যাতে কিছুমান তথ্য সংগ্ৰহকাৰীয়ে কোনোধৰণৰ কাৰচাজি কৰিব নোৱাৰে তাৰ বাবে দ্বিতীয় পৰ্যায়ত ঘৰে ঘৰে গৈ প্ৰশ্নপত্ৰ সংগ্ৰহ কৰাৰ পাচত কম্পিউটাৰৰ জৰিয়তেহে আচল প্ৰক্ৰিয়াটো (Phase-II) সম্পন্ন কৰা হ'ব।

ইয়াৰ বাবে প্ৰয়োজনীয় Computer Operation এজন সুদক্ষ আৰু অভিজ্ঞতাপুষ্ট ব্যক্তিৰ তত্ত্বাৱধানত হোৱাটো অতিকে বাঞ্ছনীয়। এইক্ষেত্ৰত ড° নন্দন নিলেকাৰ্ণি সৰ্বোৎকৃষ্ট ব্যক্তি হ'ব। তেওঁ বৰ্তমান সমগ্ৰ দেশৰ নাগৰিকৰ বাবে 'অদ্বিতীয় পৰিচয় পত্ৰ' (Unique Identity Card) প্ৰস্তুত কৰাৰ কাৰ্য প্ৰণালীটোৰ মুৰব্বী হিচাপে কৰ্মৰত। ই এক বৃহৎ আৰু জটিল প্ৰক্ৰিয়া। তাৰ তুলনাত নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে সম্পন্ন কৰিব লগা কম্পিউটাৰ কাৰ্যপ্ৰণালী (Computer Operation) তেনেই নগণ্য। সমষ্টি অনুযায়ী ইয়াক পৰিচালনা কৰাটো খুবেই সহজ হ'ব। যদি নাম অন্তৰ্ভুক্ত কৰাৰ সময়ত কিবা সমস্যাৰ উদ্ৰেক হয় তাক কম্পিউটাৰ কাৰ্যপ্ৰণালীৰ দ্বাৰাই সংশোধন কৰি ল'ব পৰা যাব।

'আছাম পাব্লিক ৰৰ্ক'ছ' নামৰ সংগঠনটোৱে ইতিমধ্যে দুটা পৰ্যায়ৰ এটা Modality ভোটাৰ তালিকা সংশোধনৰ কাৰণে মাননীয় উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে। অবিশ্বাস্যভাৱে অন্তৰ্ভুক্ত হোৱা প্ৰায় চল্লিশ লক্ষ সন্দেহযুক্ত বাংলাদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন আৰু ২৫ মাৰ্চ, '৭১ ৰ আগেয়ে অহা বাংলাদেশীসকলক ভাৰতীয় হিচাপে স্বীকৃতিকৰণৰ বাবে APW য়ে এনে দুটা পৰ্যায়ৰ মডেলিটি দাখিল কৰিছে।

অসমৰ সকলো স্তৰৰ মানুহৰ নাগৰিকপঞ্জী উন্নীতকৰণৰ এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱালৈ অপেক্ষা কৰি কৰি প্ৰায় ধৈৰ্যচ্যুতি ঘটিছে। সমগ্ৰ খিলঞ্জীয়া জনগণ পুনৰ আবেগিক হৈ পৰাৰ উপক্ৰম হৈছে। কিন্তু এই সময়ত আমি সকলোৱে আবেগবৰ্জিত এক বাস্তৱবাদী দৃষ্টিকোণৰ পৰা গোটেই প্ৰক্ৰিয়াটো পৰ্যবেক্ষণ কৰাটো অধিক জৰুৰী। তেতিয়াহে অসম চুক্তিৰ উদ্দেশ্য সফল হ'ব।

এই আলোচনাত আগবঢ়োৱা মডেলিটি হাতত ল'লে আমি অসম চুক্তিৰ দুটা মুখ্য উদ্দেশ্য - বিদেশী চিনাক্তকৰণ আৰু তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ লক্ষ্যত সহজতে উপনীত হ'ব পৰা যাব। কিন্তু চৰকাৰে আৰম্ভ কৰা পাইলট প্ৰজেক্টৰ মডেলিটি অনুযায়ী এই দিশত আগবাঢ়িলে কেৱল ২৫ মাৰ্চ, ১৯৭১ৰ আগৰ অনুপ্ৰৱেশকাৰীৰ ভাৰতীয় নাগৰিক হিচাপে নিয়মীয়াকৰণৰ বাদে আৰু একো ফল পোৱা নাযাব। সমগ্ৰ অসমবাসীৰ বাবে ই আটাইতকৈ পৰিতাপৰ কথা হ'ব আৰু অসম আন্দোলনত প্ৰাণ আহুতি দিয়া প্ৰায় এহেজাৰ ছহিদৰ ত্যাগ অথলে যাব।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগ তথা নেবানেপেৰা চেষ্টাৰ ফল ঐতিহাসিক অসম চুক্তি স্বাক্ষৰিত হৈছিল। গতিকে এতিয়াও তেওঁলোকেই এইক্ষেত্ৰত আগভাগ ল'ব লাগিব যাতে চৰকাৰে বৰ্তমান প্ৰক্ৰিয়া বাদ দি এক সঠিক প্ৰক্ৰিয়াৰে নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম আগবঢ়ায় আৰু অনাগত দুই-এক বছৰৰ ভিতৰতে যাতে এখন শুদ্ধ আৰু সঠিক নাগৰিকপঞ্জী প্ৰস্তুত হৈ উঠে। চৰকাৰৰ বৰ্তমানৰ প্ৰক্ৰিয়া বাদ দি এক সঠিক প্ৰক্ৰিয়া প্ৰস্তুত কৰাত যদি অধিক সময়ৰ প্ৰয়োজন হয়, তাৰ বাবে আমি অধৈৰ্য হোৱাৰ প্ৰয়োজন নাই, কিয়নো প্ৰক্ৰিয়াটো শুদ্ধ হ'লে যিকোনো সময়ত হ'লেও ই সঠিক ফল দিব।

আমি এই আলোচনাত উল্লেখ কৰা দুটা পৰ্বৰ মডেলিটি যদি নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে অনুসৰণ কৰা হয় তেনেহ'লে অসম চুক্তিৰ উদ্দেশ্য সফল হ'ব। অৰ্থাৎ ২৫ মাৰ্চ, '৭১ চনৰ আগৰ অনুপ্ৰৱেশকাৰীৰ নিয়মীয়াকৰণ তথা ২৪ মাৰ্চ, '৭১ৰ চনৰ পাচৰ অনুপ্ৰৱেশকাৰী Primafacie foreigner হিচাপে চিনাক্তকৰণ হ'ব। লগে লগে অসমৰ ৰাইজে লাভ কৰিব এক আকাংক্ষিত শুদ্ধ ভোটাৰ তালিকা আৰু যদি সেয়ে হয় তেনেহ'লে সি এইক্ষেত্ৰত অবিৰত প্ৰচেষ্টা চলাই অহা সদৌ অসম ছাত্ৰ সন্থা আৰু প্ৰতিজন অসমবাসীৰ বিজয়ৰূপে চিহ্নিত হ'ব।

> "এনে এটা মডেলিটি গ্ৰহণ কৰাটো যুক্তিসংগত হ'ব যিটোৰ দুটা সুকীয়া পৰ্ব থাকিব। প্ৰথম পৰ্বত কেৱল ২৫ মাৰ্চ, ১৯৭১ চনৰ আগত অহা বাংলাদেশীৰ চিনাক্তকৰণ তথা ভাৰতীয় নাগৰিক হিচাপে নিয়মীয়াকৰণৰ কাম সম্পন্ন কৰা হ'ব। ইয়াৰ বাবে বৰ্তমান 'পাইলট প্ৰজেক্ট'ত ব্যৱহৃত হৈ থকা আবেদন পত্ৰখনিকে শিৰোনামৰ সামান্য পৰিবৰ্তন কৰি ব্যৱহাৰ কৰিব পৰা যাব।"

আবেদন পত্ৰ বা প্ৰ-পত্ৰ পূৰণৰ যোগেদি নাগৰিকপঞ্জী উন্নীতকৰণৰ এই প্ৰক্ৰিয়া ব্যৱহাৰিক ক্ষেত্ৰত যথোপযুক্ত নহয়। কিয়নো অধিকাংশ খিলঞ্জীয়া জনসাধাৰণে আবেদন পত্ৰ পূৰণ কৰাৰ পৰা বিৰত থাকিব। আচলতে এই লোকসকলে ইয়াৰ প্ৰয়োজনীয়তা আৰু বাধ্যবাধকতা ইমান দকৈ অনুভৱ নকৰে। ইয়াৰ কাৰণ হ'ল নিজৰ ভাৰতীয় নাগৰিকত্ব সম্পৰ্কে তেওঁলোকৰ তিলমানো সন্দেহ নাই আৰু সেয়ে তেওঁলোকে আবেদন পত্ৰ পূৰণৰ যোগেদি নাগৰিকত্ব প্ৰমাণৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিব। তদুপৰি গ্ৰামাঞ্চলত বাস কৰা মুঠ জনসাধাৰণৰ প্ৰায় ৬০-৭৫ শতাংশ লোক প্ৰতি মুহূৰ্তেতে দুবেলা-দুমুঠি খাই জীয়াই থকাৰ সংগ্ৰামতেই ব্যস্ত। কিছুসংখ্যক লোক নিৰক্ষৰ বা অৰ্ধশিক্ষিত। চহৰাঞ্চলত বাস কৰা লোকসকলো চহৰীয়া জীৱনৰ তথাকথিত দৈনন্দিন প্ৰত্যাহ্বানৰ মোকাবিলা কৰাত ব্যস্ত। সমাজৰ এক বুজনসংখ্যক লোক শ্ৰমিক অথবা দিন হাজিৰা কৰা লোক। এইসকল ভাৰতীয় নাগৰিক ৰাজনৈতিকভাৱে প্ৰয়োজন অনুসৰি সচেতন নহয়। সেয়েহে তেওঁলোকে আবেদন পত্ৰ পূৰণৰ যোগেদি নিজৰ নাগৰিকত্ব প্ৰমাণ কৰিবলৈ যাৱ বুলি ভবাটো অবান্তৰ বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

প্ৰকৃতাৰ্থত কেৱল ২৫ মাৰ্চ, ১৯৭১ৰ আগৰ বাংলাদেশৰ পৰা অহা লোকসকলেহে আবেদন জনাব। কিয়নো ইয়াৰ দ্বাৰা তেওঁলোক ভাৰতীয় নাগৰিক হিচাপে পঞ্জীভুক্ত হ'ব। এটা কথা অনস্বীকাৰ্য যে সকলো বাংলাদেশীয়েই অসম সোমোৱাৰ লগে লগে নিজৰ নাম অসমৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰোৱাইছে। সেয়েহে নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় হোৱা ভোটাৰ তালিকাৰ লগত যোগসূত্ৰ প্ৰমাণৰ ক্ষেত্ৰত তেওঁলোক অসুবিধাৰ সন্মুখীন নহ'ব। তেওঁলোকৰ মাজৰ যিসকল নিৰক্ষৰ সেইসকলক শিক্ষিতচামে সৰ্বতোপ্ৰকাৰে সহায় কৰিব। কিয়নো এই লোকসকল পৰিস্থিতিৰ তাগিদাত ৰাজনৈতিকভাৱে খুবেই সচেতন আৰু সংঘবদ্ধ।

'পাইলট প্ৰজেক্ট'ৰ কাম আৰম্ভ হোৱাৰ পাচতেই ইয়াৰ বাবে ব্যৱহাৰ কৰা আবেদন পত্ৰত আসোঁৱাহ থকা বুলি বিতৰ্কৰ সূত্ৰপাত হৈছে। কিন্তু উল্লেখনীয় কথাটো হ'ল যে 'আবেদন পত্ৰ'ৰ বিসংগতি দূৰ কৰাৰ পাচতো একে প্ৰক্ৰিয়াৰে নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম আগবঢ়ালে অৱশেষত এখন ত্ৰুটিপূৰ্ণ নাগৰিকপঞ্জীহে প্ৰস্তুত হ'ব, য'ত অধিকাংশ খিলঞ্জীয়াৰে নাম নাথাকিব। গতিকে এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাচত এই বিষয়ে হৈ-চৈ কৰিলে কোনো লাভ নহ'ব কিয়নো ইতিমধ্যে সি বহুত পলম হৈ যাব।

এই প্ৰসংগত এনে এটা মডেলিটি গ্ৰহণ কৰাটো যুক্তিসংগত হ'ব যিটোৰ দুটা সুকীয়া পৰ্ব থাকিব। প্ৰথম পৰ্বত কেৱল ২৫ মাৰ্চ, ১৯৭১ চনৰ আগত অহা বাংলাদেশীৰ চিনাক্তকৰণ তথা ভাৰতীয় নাগৰিক হিচাপে নিয়মীয়াকৰণৰ কাম সম্পন্ন কৰা হ'ব। ইয়াৰ বাবে বৰ্তমান 'পাইলট প্ৰজেক্ট'ত ব্যৱহৃত হৈ থকা আবেদন পত্ৰখনিকে শিৰোনামৰ সামান্য পৰিবৰ্তন কৰি ব্যৱহাৰ কৰিব পৰা যাব। এই আবেদন পত্ৰখন এনেদৰেও নামকৰণ কৰিব পাৰি ঃ নাগৰিকপঞ্জী উন্নীতকৰণ (প্ৰথম পৰ্ব), নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন পত্ৰ (কেৱল ২৫ মাৰ্চ, ১৯৭১ৰ পূৰ্বৰ বাংলাদেশী প্ৰব্ৰজনকাৰীৰ বাবে)। এই প্ৰক্ৰিয়া অসম চুক্তি আৰু সংশোধিত নাগৰিকত্ব আইন ১৯৫৫ৰ ফল, সেয়েহে এইক্ষেত্ৰত কোনো বিতৰ্কৰ সূত্ৰপাত হোৱাৰ সম্ভাৱনা নাই। ইয়াৰ দ্বাৰা কম সময়ৰ ভিতৰতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা যাব। 'পাইলট প্ৰজেক্ট'ৰ দৰে সমষ্টি অনুযায়ী আৰম্ভ কৰি অৱশেষত সমগ্ৰ ৰাজ্যতে এই প্ৰক্ৰিয়াৰে নাগৰিকপঞ্জী